OFFICE OF THE
**All Assam Tanzim-Madaris Qawmiya**
*(Board of the non-govt. Madrassa Board)*
P.O. Nilbagan - 782 445, Dist. Nagaon, Assam (India)
Regd. RS/NG/254/108
ESTD. 1955

কাৰ্যালয় ☎ : (03674) 262448
**সদৌ অসম তন্‌জিম মাদাৰিছ কৌমিয়া**
পোঃ নীলবাগান-৭৮২ ৪৪৫, জিলাঃ নগাঁও ঃ অসম ঃ ভাৰত
দূৰভাষ ঃ (০৩৬৭৪) ২৬২৪৪৮
স্থাপিত ঃ ১৯৫৫ ইং

دفتر آل آسام تنظیم مدارس قومیہ
نیل باگان - نوگاؤں - آسام

Ref.................................. Date..................................

# মাদ্ৰাছাত জাকাতৰ ধন ব্যৱহাৰৰ শ্বৰঈ বিধান

দ্বীনি মাদ্ৰাছাসমূহত জাকাতৰ ধন ব্যৱহাৰৰ বৈধতাৰ ক্ষেত্ৰত প্ৰায়ে প্ৰশ্ন উত্থাপন হোৱা দেখা যায়। সেয়ে সদৌ অসম তনজিম মাদাৰিছ কৌমিয়াই এই বিষয়ে ফতোৱা বিছৰাত দাৰুল উলুম দেওবন্দে এক বিস্তৃত ফতোৱা প্ৰদান কৰে। উক্ত ফতোৱাৰ ওপৰত ভিত্তি কৰি অসমৰ বিশিষ্ট মুফতীয়ানে কেৰামে জাকাতৰ ধন মাদ্ৰাছাত ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান দিশ নিৰ্বাচন কৰি নিম্নোল্লেখিত পৰামৰ্শাৱলী আগবঢ়াইছে। যিসমূহ কাৰ্যকৰী কৰিলে উক্ত বিষয়টোৰ ওপৰত শুদ্ধকৈ আমল হোৱাৰ লগতে জাকাতৰ দৰে এটি গুৰুত্বপূৰ্ণ ফৰজ আদায়ৰ ক্ষেত্ৰত কোনো সন্দেহৰ অৱকাশ নাথাকে। উল্লেখিত পৰামৰ্শকেইটা এনেধৰণৰ-

## মাছআলা নং ১

ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ দৰে কৌমী মাদ্ৰাছা সমূহতো ছাত্ৰৰ বাবে এটা ফিজ নিৰ্দিষ্ট কৰিব লাগে। ছাত্ৰ সকলৰ থকা খোৱা, শিক্ষক সকলৰ দৰমহা আদি যাৱতীয় খৰছ এই ফিজৰ অন্তৰ্ভূক্ত হব লাগে। সামৰ্থবান ছাত্ৰসকলে এই ফিজ নিজে আদায় দিব লাগে। আৰু দুখীয়া ছাত্ৰসকলে মাদ্ৰাছাৰ ভৰ্তিৰ সময়ত মাদ্ৰাছা কৰ্তৃপক্ষক তাৰ ফিজখিনি দাতা সকলৰ পৰা জাকাত সংগ্ৰহ কৰি আদায় কৰাৰ অনুমতি দি আৱেদন কৰিব লাগে। মাদ্ৰাছা কৰ্তৃপক্ষই সেই দৰে আৱেদন কৰা ছাত্ৰসকলৰ হৈ জাকাত সংগ্ৰহ কৰি মাদ্ৰাছাত খৰছ কৰিব। ইয়াৰ দ্বাৰা দাতা সকলৰ জাকাত আদায় হোৱাৰ লগতে মাদ্ৰছা কৰ্তৃপক্ষই দুখীয়া ছাত্ৰসকলক শিক্ষা গ্ৰহণৰ ব্যৱস্থা কৰি দিয়াৰ বাবে উপৰঞ্চি ছোৱাবৰ অধিকাৰী হব।

## মাছআলা নং ২

কোনো উপযুক্ত ব্যক্তিক জাকাতৰ তমলীকৰ মাছআলা এইদৰে বুজাই দি যে, মই তোমাক জাকাতৰ ধন দিম। তুমি ইচ্ছা কৰিলে সেইখিনি নিজৰ কামতো ব্যৱহাৰ কৰিব পাৰিবা নাইবা কোনো দ্বিনী কাম যেনে, মক্তৱ-মাদ্ৰাছা আদিত ব্যৱহাৰ কৰিবলৈ মোৰ হাতত অৰ্পন কৰিবও পৰিবা । এই ক্ষেত্ৰত তুমি টকাখিনি ছদকা কৰাৰ ছৱাব লাভ কৰিবা। আৰু জাকাত দাতাৰ জাকাতো আদায় হব।

তেনেস্থলত ইয়াৰ দ্বাৰা জাকাতৰ ধন ছদকাত পৰিণত হব। উভতাই দিয়া ব্যক্তি জনে যদি নিজকে টকাখিনিৰ মালিক বুলি ভাৱি স্বইচ্ছাই টকিাখিনি মাদ্ৰাছাত দান কৰে তেন্তে এই নিয়ম শুদ্ধ হব। ইয়াৰ দ্বাৰা জাকাতৰ ধন ছদকাত পৰিণত হব। যি প্ৰথা বৰ্তমান মাদ্ৰাছাসমূহত প্ৰচলিত হৈ আছে।

এইক্ষেত্ৰত বিশেষ ভাবে দৃষ্টি দিবলগীয়া বিষয়টো হল, জাকাত সংগ্ৰহকাৰী সকলে জাকাতৰ বাবদ সংগৃহিত ধনখিনি নিজাবৰীয়া কৈ খৰচ কৰিব নোৱাৰিব। বৰঞ্চ এওঁলোকে সমস্ত ধন মাদ্ৰাছাৰ মুহতামিম চাহাবৰ হাতত জমা দিব লাগিব।

**পৰামৰ্শদাতা মুফতীয়ানে কেৰামৰ স্বাক্ষৰ ঃ-**

১। হজৰত মৌলানা মুফতী আবুবকৰ চাহেব, জামিয়া দ্বীনিয়া মনছুৰিয়া জয়ভোম।
২। হজৰত মৌলানা মুফতী ছাদ উদ্দিন চাহেব, মৰ্কজ দাৰুল য়াতামা গোৱালপাৰা।
৩। হজৰত মৌলানা মুফতী হাইদৰ আলী চাহেব, জামিয়া ইছলামীয়া জালালীয়া হোজাই।
৪। হজৰত মৌলানা মুফতী কুৰবান আলী চাহেব, বৰপেটা।
৫। হজৰত মৌলানা মুফতী ছাইদ আহমদ চাহেব, দাৰুল উলুম মেথিগাওঁ মাদ্ৰাছা।

**মওঃ আব্দুল কাদিৰ কাছিমী**
সাধাৰণ সম্পাদক
সদৌ অসম তনজিম মাদাৰিছ কৌমীয়া
নীলবাগান ঃ হোজাই (নগাঁও) ঃ অসম